

বৰ ভয়। সেয়েহে মৌচুমীৰ চাল-চলন তাইৰ লগত মিলে। অফ পিৰিয়ডত গছৰ তলত বহি সিহঁত দুজনীয়ে কিতাপ-আলোচনী পঢ়ে। ৰুণুমীয়ে কলেজৰ প্ৰতিজন শিক্ষকক শলাগে আৰু বৰ সন্মানেৰে তাই তেওঁলোকৰ কথা কয়। আজিকালি খুব কমসংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজতহে এইফেৰা গুণ দেখা পোৱা যায়।

ৰুণুমীয়ে কদা-কাশ্চিৎহে নিজৰ আৰ্থিক দুৰৱস্থাৰ কথা কয়। ফলত ময়ো সেই বিষয়ে কথা-বতৰা সুধিবলৈ মন নকৰোঁ। তাৰ মাজতে মই এদিন সুবিধা বুজি তাইক মোৰ মনৰ কথা উনুকিয়ালোঁ। "তুমি পঢ়াশুনাৰ কাৰণে খা-খৰচ যি লাগে সেই কথা মোক ক'বা; মাক ক'ব নালাগে। তোমাৰ কলেজৰ ফিজ বা কিতাপ-পত্ৰ আদি কিনাৰ খৰচ তোমাক ককাই দিব।" "হ'ব হ'ব" বুলি সন্মতি জনালে যদিও কোনো দিন তাই মোক সা-সহায়ৰ কথা নক'লে। দুদিনমান পাছত কথাৰ মাজতে মই তাইক পুনৰ একেটা কথাকে সোঁৱৰালোঁ। বেংক একাউণ্ট নাই বুলি কোৱাত অনতিপলমে নগৰৰ ষ্টেট বেংকত একাউণ্ট খুলিবলৈ পৰামৰ্শ দিলোঁ। তাৰ মাজতে এদিন তৃতীয় যাণ্মাসিকৰ ফলাফল আহিল। সকলোকে আনন্দিত কৰি আমি আশা কৰা অনুসাৰে তাই ভাল নম্বৰ পালে।

চতুৰ্থ যাণ্মাসিকৰ ফলাফল বেয়া নাছিল যদিও ৰুণুমীয়ে সন্তুষ্টি প্ৰকাশ নকৰিলে। তাইৰ মতে এখন পেপাৰত তাই অধিক নম্বৰ পাব বুলি আশা কৰিছিল। সেই পেপাৰখন পুনৰ পৰীক্ষা কৰোৱাবলৈ লগা মাচুল সময়ত সিহঁতৰ হাতত নাছিল। সেয়েহে যি নম্বৰ পালে তাতে তাই সন্তুষ্ট হ'ব লগীয়া হ'ল। তদুপৰি তাইৰ প্ৰয়োজনীয় কিতাপবোৰৰো বৰ দাম; সাতশ-আঠশ টকা। নামত থাকিলেও সেইবোৰ কিতাপ কলেজৰ লাইব্ৰেৰিত পাবলৈ নাই। তাইৰ কথা শুনি মোৰ বেজাৰ লগাৰ লগতে খঙো উঠিল। সেয়েহে এইবাৰ দুআষাৰ টানকৈ ক'লোঁ—"মই তোমাক কিমান দিনৰপৰা কৈ আছোঁ। কিতাপ-পত্ৰ মই তোমাক কিনি দিম; তোমাৰ মাচুলৰ ধন আগতীয়াকৈ তোমাৰ বেংক একাউণ্টত সুমুৱাই দিম। কিন্তু তুমি তোমাৰ সমস্যাবোৰ সদায় মোৰপৰা লুকুৱাই ৰাখা। বেংক একাউণ্টটো খুলি নম্বৰটোও মোক নিদিয়া। মই তোমাক বেয়া পাইছোঁ।" ৰুণুমীয়ে হাঁহি হাঁহি মূৰ পোলোকা দি ক'লে—"ছৰি ককা! বেয়া নাপাবা। অহাবাৰ কিবা সমস্যা হ'লে তোমাক ক'ম।" ইয়াৰ পাছতো পঞ্চম যাণ্মাসিকৰ সময়ছোৱাত ৰুণুমীয়ে মোক কোনো কিতাপৰ কথা নক'লে; বোধহয় বেংক একাউণ্টো নুখুলিলে। ফলত কিবা এটা কৰিব খুজিও একো এটা কৰিব নোৱাৰি মই হতাশ হ'লোঁ। এবাৰ ভাবিলোঁ, কিবা এটা অনুমান কৰি চেক এখনকে পঠাই দিওঁ নেকি? পিছে সাহস নহ'ল। মই জোৰ-জবৰদস্তি পইচা দি সহায় কৰিলে, তাই যদি মোক ভুল বুজে; পুতৌ কৰিছোঁ বুলি ভাবে? তেতিয়া কি হ'ব? ইমানদিনে আমাৰ মাজত গঢ়ি উঠা মধুৰ সম্বন্ধটোত যদি সেই কাৰণতে যতি পৰে। সেই কথাবোৰকে ভাবি-গুণি ধৰফৰাই থাকিলোঁ।

চূড়ান্ত যাণ্মাসিকৰ পৰীক্ষা ওচৰ চাপি অহাৰ লগে লগে মোৰ উচপিচনি বাঢ়িল। ৰুণুমীয়ে কিতাপ-পত্ৰ সম্বন্ধে এতিয়াও একো নোকোৱাত মই বিমোৰত পৰিলোঁ। তাতোকৈ ডাঙৰ কথা হ'ল তাইৰ ভৱিষ্যতক লৈ। বি এছ ছি পাছ কৰাৰ পাছত তাইৰ আৰু পঢ়া নহ'ব বুলি তাই মোক এদিন পাকে-প্ৰকাৰে বুজাই দিছিল। সেইদিনা মই তাইক সময়ত কিবা ব্যৱস্থা হ'ব বুলি ইংগিত এটা দি আশ্বাস দিছিলোঁ। সেয়েহে মনতে মই সিদ্ধান্ত লৈ পেলালোঁ। এতিয়াৰেপৰা মই তাইৰ পঢ়াশুনাৰ সম্পূৰ্ণ দায়িত্ব ল'ম। ভাৰতৰ যিকোনো বিশ্ববিদ্যালয়তে তাইৰ ইচ্ছা অনুসাৰে মই তাইক হোষ্টেলত ৰাখি দুবছৰ পঢ়ুৱাম। প্ৰয়োজন হ'লে তাইৰ জৰিয়তে ঘৰখনকো সা-সহায় কৰিম, যাতে তাই সমৰ্থ নোহোৱালৈকে ভায়েকৰ পঢ়াশুনাত ব্যাঘাত নঘটে। ঘৰৰ সকলোৱে মোৰ প্ৰস্তাৱটো সমৰ্থন কৰিলে। শ্ৰীমতীয়ে ক'লে যে এইবোৰ কথা সৰু ছোৱালীজনীৰ লগত পতাতকৈ তাইৰ মাক-দেউতাকৰ লগত আলোচনা কৰা বেছি ভাল হ'ব। তেনে কৰিলে ৰুণুমীয়ে পৰিয়ালৰ লগতে গাঁৱৰ মানুহেও কথাবোৰ সহজভাৱে ল'ব পাৰিব। এই উদ্দেশ্যে মাৰ্চ মাহত ঘৰলৈ যাওঁতে, এদিন আমি জী-জোঁৱাইৰ সৈতে নাজিৰালৈ গৈ ৰুণুমীহঁতৰ ঘৰ পামগৈ। তাতে সকলোকে কথাটো খুলি কোৱা ভাল হ'ব।

আমি যাম বুলি শুনি ৰুণুমী ৰঙতে বলিয়া হ'ল। আমি কিয় যাম সেই কথাটো অৱশ্যে তাইক কোৱাৰ প্ৰয়োজন মই অনুভৱ নকৰিলোঁ। যি হওক এতিয়া বেছি সঘনে ফোন কৰি প্ৰশ্নৰ পিছত প্ৰশ্নৰে ৰুণুমীয়ে মোক ব্যতিব্যস্ত কৰিলে। কোন তাৰিখে আমি যাম? সেইদিনা কি বাৰ হ'ব? দীপলিপ আহিবনে নাহে? আমি হাঁহ খাই ভাল পাওঁ নে পাৰ খাই ভাল পাওঁ? সিহঁতৰ গাঁৱৰ বাটটো চিনি পামনে নাপাম? সেইদিনা মথাউৰিৰ ওপৰৰ আলিবাটটোত বোকা-পানী হ'লে কি হ'ব? ইত্যাদি জাতীয় কথাৰে তাই মোৰ কাণ ঘোলা কৰিলে। মাজে মাজে মই তাইক ডবিয়াব লগা হ'ল। পিছে ভবা কথা নহয় সিদ্ধি। কৰ'নাৰ আক্ৰমণে আমাক অসমলৈ যোৱাৰ অনুমতি নিদিলে। আশাবাদী ছোৱালীজনীয়ে কিন্তু জুন-জুলাই মাহলৈ সকলো ঠিক হৈ যাব বুলি বাৰে বাৰে মোক আশ্বাস দি আমাৰ আগমনলৈ বাট চাই ৰ'ল।

জুলাই মাহত দেশৰ লগতে অসমৰ পৰিস্থিতি অধিক সংকটজনক হ'ল। মাজে মাজে লকডাউন খুলিল, কিন্তু চাৰিওফালে খেলিমেলি বাঢ়িহে গ'ল। এনে পৰিস্থিতিত ভ্ৰমণৰ সম্ভাৱনা দেখা নাপালোঁ। ভৱিষ্যতে কি হ'ব-কি নহ'ব, সেই কথাও অনুমান কৰিব নোৱাৰিলোঁ। মই চিন্তাত পৰিলোঁ। হঠাতে যদি কৰ্তৃপক্ষই খৰধৰকৈ পৰীক্ষা পাতি চাৰিওফালে শৈক্ষিক বছৰ আৰম্ভ কৰি দিয়ে? তেতিয়া কি হ'ব? বেচেৰীৰ এবছৰ লোকচান নহ'ব জানো? এনেবোৰ দুশ্চিন্তাই মোক জুৰুলা কৰিলে। সেয়েহে অন্য একো উপায় নেদেখি মই মোৰ প্ৰস্তাৱটো ৱাটছএপৰ জৰিয়তে ৰুণুমীলৈ পঠাই দিলোঁ। এতিয়াৰপৰা তোমাৰ পঢ়াৰ সম্পূৰ্ণ দায়িত্ব তোমাৰ ককাই ল'ব। তুমি তোমাৰ বিচাৰ মতে ভাৰতৰ যিকোনো বিশ্ববিদ্যালয়ত 'ছিট' এটা যোগাৰ কৰি লোৱা। তাতে আমি তোমাক হোষ্টেলত ৰাখি পঢ়ুৱাম। তোমাৰ সকলো মাচুল, কিতাপ-পত্ৰ, ঘৰলৈ অহা-যোৱা খৰচ আদি আমি পঠাম। তুমি মাত্ৰ মনপুতি পঢ়িবা। তুমি মা-দেউতাৰ সৈতে মোৰ সদিচ্ছা সম্বন্ধে কথা-বতৰা হৈ মোক সোনকালে সন্মতি প্ৰদান কৰিবা। লগে লগে ৰুণুমীৰপৰা উত্তৰ আহিল। মোৰ প্ৰস্তাৱটো পাই তাই আৰু মাকে হেনো বৰ আনন্দ পাইছে। ইয়াৰ লগতে তাই লিখিছে যে মোৰ বিষয়ে তাইৰ মাকে বোলে বহু ভাল ভাল কথা কৈছে। দেউতাকৰ লগত পৰামৰ্শ কৰি সোনকালে মোক জনাব বুলি ৰুণুমীয়ে মোক ভৰসা দিলে। উত্তৰটো পাই মোৰ মনটো পাতলিল।

দুদিন পাছত দেওবাৰে পুৱা ৰুণুমীৰ ফোন আহিল। আজি পিছে তাইক অলপ চিন্তিত যেন লাগিল। মোৰ প্ৰস্তাৱটো সম্বন্ধে তাই কোনো কথা নুলিয়ালে। ময়ো উৎসুকতা নেদেখুৱালোঁ। বেছি সময় তাই কথা নাপাতিলে।